NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 28-06-2024
**Time :** 19.10 hrs
*Assamese Evening Bulletin*
**HEADLINES**

000000000

১। নীটত অনিয়ম হোৱা বুলি উঠা অভিযোগক লৈ বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাৰ কাম-কাজো ব্যাহত হয়।

২। ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অব্যাহত আছে।

৩। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে  দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নীটত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক এইবুলি আশ্বাস দিছে।

৪। ভাৰতীয় বিদেশ সেৱাৰ ১৯৮৯ বেটছৰ বিষয়া বিক্ৰম মিশ্ৰীক পৰৱৰ্তী বিদেশ সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

*আৰু*

৫। ভাৰত কাইলৈ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

000000000

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটত অনিয়ম হোৱা বুলি উঠা অভিযোগক লৈ বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ বিপৰীতে বিষয়টোক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে ৰাজ্যসভাৰ কাম-কাজ তিনিবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাৰ কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সাংসদসকলে বিষয়টো লৈ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত শ্ল'গান দিবলৈ ধৰে। কংগ্ৰেছ, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি

যায়। এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই কয় যে বিষয়টো চালি জাৰি চোৱাৰ বাবে এখন কমিটি গঠন কৰা হৈছে। সদনৰ কাম-কাজ পূৰ্ব পৰিকল্পিতভাৱে চলিবলৈ নিদিয়াটো সংসদীয় গণতন্ত্ৰৰ বাবে সঠিক নহয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে সদস্যসকলে ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়ত বিষয়টো উত্থাপন কৰিব পাৰে।

নীটৰ বিষয়লৈ আলোচনাৰ বাবে বিৰোধী পক্ষই উত্থাপন কৰা দাবী প্ৰত্যাখ্যান কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে ৰাষ্ট্ৰপতিৰ অভিভাষণৰ আলোচনাৰ বাবে নিৰ্ধাৰিত সময়ত অন্য বিষয়লৈ আলোচনা কৰাৰ পৰম্পৰা নাই। তেওঁ লগতে কংগ্ৰেছ আৰু অন্য বিৰোধী দলসমূহে সংসদৰ গৰিমাৰ অৱমাননা কৰা বুলি অভিযোগ তোলে। শ্ৰী ৰিজিজুৱে কয় যে ৰাষ্ট্ৰপতি অভিভাষণৰ আলোচনাৰ সময়ত উত্থাপন কৰা যিকোনো বিষয়ৰ উত্তৰ দিবলৈ সাজু আছে। তাৰ পাছতো হুলস্থুলীয়া পৰিস্থিতি অব্যাহত থকাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই বিষয়টো লৈ বিৰোধী দলসমূহে উত্থাপন কৰা সভাস্থগিতকৰণৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে।

অধ্যক্ষ ওম বিৰলাই কয় যে, ৰাষ্ট্ৰপতিৰ অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়ত অন্য বিষয় লৈ আলোচনাৰ অনুমতি প্ৰদান কৰিব পৰা নাযায়। তেওঁ কয় যে, ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়তে বিৰোধী দলসমূহে নিজৰ বিষয়সমূহ উত্থাপন কৰিব পাৰিব। তেওঁ লগতে কয় যে, চৰকাৰে আলোচনাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে উত্থাপন কৰ সকলো বিষয়ৰ উত্তৰ দিব বুলি আশা কৰা হয়। ইয়াৰ পাছতে নিম্ন সদনত বিৰোধী পক্ষ ৰ নেতা ৰাহুল গান্ধীয়ে কয় যে তেওঁলোকে শিক্ষাৰ্থীসকলক এনে এটা বাৰ্তা দিব খোজে বিষয়টো সঁচাকৈ গুৰুত্বপূৰ্ণ। গতিকে বিষয়টো লৈ আলোচনা হ'ব লাগে। পাছত অধ্যক্ষই সদনৰ কাম-কাজ অব্যাহত ৰাখে যদিও কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। এনে অচলাৱস্থাৰ মাজতে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

ৰাজ্যসভাতো আজি নীটক লৈ হুলস্থুলীয়া পৰিস্থিতৰ সৃষ্টি হয়।

উচ্চ সদনৰ কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, টি এম চি, ডি এম কে আৰু আম আদমী পাৰ্টীকে ধৰি বিৰোধী দলসমূহৰ সদস্যসকলে নীটৰ বিষয় লৈ চৰকাৰৰ বিৰুদ্ধে শ্লোগান দিবলৈ আৰম্ভ কৰে। প্ৰতিবাদৰত সদস্যসকলৰ লগতে সদনত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেও নীটৰ বিষয় লৈ প্ৰতিবাদ কৰি সদনৰ মজিয়ালৈ উঠি যায়। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়তে বিৰোধী সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত পৰিস্থিতি আগৰ দৰেই থাকে।

ইয়াৰ আগেয়ে পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিৰোধী সাংসদসকলে উত্থাপন কৰা সভাস্থগিতকৰণৰ জাননী অগ্ৰাহ্য কৰি কয় যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি দিয়া ভাষণত প্ৰশ্ন ফাদিল কাণ্ডৰ নিৰপেক্ষ তদন্ত আৰু দোষী সকলক কঠোৰ শাস্তি প্ৰদানৰ কথা উল্লেখ কৰিছে। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ সময়ত সদস্যসকলে বিষয়টো লৈ আলোচনাৰ কৰাৰ প্ৰৰ্যাপ্ত সময় পাব বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। ইয়াৰ পাছতে কংগ্ৰেছৰ প্ৰমোদ টিৱাৰীয়ে কয় যে ২৫ লাখ শিক্ষাৰ্থীয়ে বিষয়টো প্ৰতিবাদ সাব্যস্ত কৰিছে। উচ্চ সদনত

বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই কয় যে যোৱা ৭ বছৰত ৭০ বাৰ প্ৰশ্নকাকত ফাদিল হৈছে। তেওঁ বিষয়টো লৈ আলোচনাৰ বাবে দাবী উত্থাপন কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী, আৰ জে দি আৰু অন্যান্য দলৰ সদস্যসকলে সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলায় যদিও প্ৰতিবাদী সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। হুলস্থূল শাম নকটাত সভাপতিয়ে সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে দুয়োখন সদনে অলপতে মৃত্যুবৰণ কৰা কেইগৰাকীমান সাংসদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। টি এম চিৰ সাংসদ নুৰুল ইছলামে আজি লোকসভাত শপত গ্ৰহণ কৰে।

০০০০০০০০০

ৰাজ্যসভাত আজি নীট পৰীক্ষাৰ বিষয় লৈ বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ মাজত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হয়। এই আলোচনাৰ বাবে মুঠ ২১ ঘণ্টা আবণ্টন কৰা হৈছে। আলোচনাৰ পাতনি মেলি বিজেপিৰ সুধাংশু ত্ৰিবেদীয়ে চৰকাৰে বিগত ১০ বছৰত লাভ কৰা সাফল্যৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে, ভাৰতে ব্ৰিটেইনক চেৰ পেলাই ইতিমধ্যে বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। চৰকাৰে ৩৪ কোটি এল ই ডি বাল্ব বিতৰণ কৰিছে আৰু ইয়াৰ পৰা সেউজ শক্তিৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ পাইছে বুলি বিজেপি সাংসদগৰাকীয়ে মন্তব্য কৰে।

আলোচনাত ভাগ লৈ দলৰ আন এগৰাকী সাংসদ ৰাকেশ সিনহাই সংবিধানৰ অৱমাননা কৰাৰ বাবে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, কংগ্ৰেছ দলে ভিন্ন ক্ষেত্ৰৰ বাবে ভিন্ন নৈতিক মানসিকতাৰে কাম কৰি আহিছে আৰু দলটোৱে নিৰ্বাচনত জয়ী হ'লে ই ভি এমৰ প্ৰশংসা কৰাৰ বিপৰীতে পৰাজয় বৰণ কৰিলে ই ভি এমক দোষাৰোপ কৰি আহিছে। আলোচনাত অংশ লৈ ৱাই এছ আৰু কংগ্ৰেছৰ গোলা বাবু ৰাৱে জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰক ভূয়সী প্ৰশংসা কৰে। সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰেও জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পোষকতা কৰিছিল বুলি তেওঁ প্ৰকাশ কৰে। বিজেপিৰ কবিতা পাটিদাৰ, কৃষ্ণলাল পাৱাৰ, ড০ ভীম সিং, ড০ অনিল বোন্দে, ৰাম চন্দৰ জাংৰা আৰু আন ভালেসংখ্যক সাংসদে আলোচনাত ভাগ লয়। আমালৈ বাতৰি অহাৰ পৰলৈকে আলোচনা অব্যাহত আছিল।

০০০০০০০০০

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি নীটত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক এইবুলি আশ্বাস দিয়ে যে, দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰ বিষয়টো লৈ অতিকে সংবেদনশীল। তেওঁ লগতে শিক্ষাৰ্থী আৰু অভিভাৱকসকলক প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰ সদনত যিকোনো বিষয় লৈ আলোচনা কৰিবলৈ সাজু আছে।

০০০০০০০০০

ভাৰতীয় বিদেশ সেৱাৰ ১৯৮৯ বেটছৰ বিষয়া বিক্ৰম মিশ্ৰীক পৰৱৰ্তী বিদেশ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ অহা ১৪ জুলাইত কাৰ্য্যকাল শেষ হ'বলগীয়া বিনয় মোহন কোৱাট্ৰাৰ স্থলাভিষিক্ত হ'ব। শ্ৰীমিশ্ৰী বৰ্তমান ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদ সচিবালয়ৰ উপ-ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা হিচাপে কৰ্মৰত হৈ আছে। তেওঁ চীন, ম্যানমাৰ আৰু স্পেইনৰ ভাৰতীয় দূত হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছে। শ্ৰীমিশ্ৰী তিনিগৰাকীকৈ প্ৰধানমন্ত্ৰী ১৯৯৭ চনত ইন্দ্ৰ কুমাৰ গুজৰাল, ২০১২ চনত মনমোহন সিং আৰু ২০১৪ চনত নৰেন্দ্ৰ মোদীৰ ব্যক্তিগত সচিবৰূপে সেৱা আগবঢ়োৱা বিৰল অভিজ্ঞতাৰো অধিকাৰী।

০০০০০০০০০

ভাৰত কাইলৈ বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অৰম্ভ হ'ব।

০০০০০০০০০

সমাপ্ত